**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-01-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***Headlines***

**00000**

১। আততায়ীৰ চুৰীৰ আঘাতত আহত চলচ্চিত্ৰ অভিনেতা ছেইফ আলী খান বৰ্তমান বিপদমুক্ত। ঘটনাৰ তদন্তৰ বাবে মুম্বাই আৰক্ষীয়ে সাতটা দল গঠন কৰিছে।

২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি অভ্যাগত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰ্মান শ্বনমুগাৰত্নমক ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে সাদৰ সম্ভাষণ জনায়।

৩। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা- ইছৰোই আজি ইয়াৰ স্পেডেক্স মিছনৰ অধীনত দুটা উপগ্ৰহ সফলতাৰে মহাকাশত সংযোজন কৰিছে।

৪। হামাছৰ সৈতে স্বাক্ষৰিত যুদ্ধবিৰতি আৰু পণবন্দী মুক্তিৰ চুক্তিত ইজৰাইলী মন্ত্ৰীসভাই অনুমোদন জনাইছে।

আৰু

৫। অষ্ট্ৰেলিয়ান অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ শাখাত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু তেওঁৰ মেক্সিকোৰ সহযোগী মিগুৱেলে এঞ্জেল ৰেয়েছ ভাৰেলা দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০০০

আজি পুৱতি নিশা নিজ বাসগৃহত চোৰৰ চুৰীৰ আঘাতত আহত হিন্দী চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেতা ছেইফ আলী খান বৰ্তমান সংকটমুক্ত বুলি কোৱা হৈছে। মুম্বাইৰ লীলাৱতী হাস্পতালৰ চিকিৎসকসকলে অভিনেতাগৰাকীৰ দুটা আঘাতৰ অস্ত্ৰোপচাৰ আজি পুৱাৰ ভাগত সম্পন্ন কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে আজি পুৱতি নিশা প্ৰায় ২ বজাত এজন অচিনাক্ত লোক ছেইফ আলী খানৰ মুম্বাইৰ বান্দ্ৰাৰ সদগুৰু চাৰণ এপাৰ্টমেণ্টৰ দ্বাদশ মহলাত থকা বাসগৃহত প্ৰৱেশ কৰে। এগৰাকী বন কৰা মহিলাই এই সন্দেহজনক লোকজনক দেখা পাই চিঞৰ-বাখৰ কৰে। এই চিঞৰ-বাখৰ শুনি ছেইফ আলী খান তেওঁৰ শোৱনি কোঠাৰ পৰা ওলাই অহাৰ সময়ত অচিনাক্ত দুৰ্বৃত্তজনে তেওঁক চুৰিৰে উপৰ্যুপৰি আঘাত কৰে। তেওঁক ততালিকে হাস্পতাললৈ লৈ যোৱা হয়।

মুম্বাই আৰক্ষীয়ে ইতিমধ্যে এই ঘটনা সন্দৰ্ভত সাতটা অনুসন্ধানকাৰী দল গঠন কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমান শ্বনমুগাৰত্নমক আনুষ্ঠানিকভাৱে আদৰণি জনায়। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীও উপস্থিত থাকে।

ৰাষ্ট্ৰপতি ভৱনত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ছিংগাপুৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দুয়োখন দেশেই বহনক্ষমতা আৰু ডিজিটেল ব্যৱস্থাৰ ক্ষেত্ৰত নতুন পথৰ সন্ধান

কৰিছে। তেওঁ গুজৰাটৰ আন্তঃৰাষ্ট্ৰীয় বিত্ত মহানগৰ অৰ্থাৎ GIFT CITY আৰু ছিংগাপুৰৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ মাজত তথ্য আদান প্ৰদানৰ ডিজিটেল ব্যৱস্থা অৰ্থাৎ ডাটা কৰিডৰ আৰু দুয়ো দেশৰ নবীকৰণযোগ্য শক্তি ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা বিনিময়ৰ সম্ভাৱনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে দুয়োখন দেশে এতিয়া এই ঘনিষ্ঠ সম্পৰ্কসমূহক বিস্তৃত কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰিবলৈ বিচাৰিছে। তদুপৰি অৰ্ধপৰিবাহী, অপৰম্পৰাগত উৎসৰ পৰা শক্তি আহৰণ আৰু গ্ৰীণহাউছ গেছৰ নিৰ্গমন হ্ৰাসৰ লক্ষ্যৰে লোৱা ব্যৱস্থাত সহযোগিতা আৰু উন্নত উৎপাদনৰ দৰে নতুন পথৰ সন্ধান কৰিছে বুলিও তেওঁ কয়।

ৰাষ্ট্ৰপতি থৰমানে কয় যে, ব্যৱসায়, প্ৰতিৰক্ষা, আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত দুয়ো দেশে বহু বছৰ ধৰি সক্ৰিয় সম্পৰ্ক ৰক্ষা কৰি আছে। তেওঁ কয় যে ১৯৬৫ চনত ছিংগাপুৰৰ স্বাধীনতা লাভক স্বীকৃতি দিয়া দেশসমূহৰ ভিতৰত ভাৰত অন্যতম আৰু তেতিয়াৰ পৰা দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ বিকাশ ঘটিছে।

০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই ইয়াৰ স্পেডেক্স মিছনৰ অধীনত আজি দুটা উপগ্ৰহৰ সংযোজনেৰে উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। ২০৩৫ চনত ভাৰতে নিজাববীয়াকৈ মহাকাশ কেন্দ্ৰ স্থাপন কৰা পৰিকল্পনাৰ ক্ষেত্ৰত আজিৰ এই সফলতা উল্লেখযোগ্য মাইলৰ খুঁটি ৰূপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সফলতাৰ বাবে ইছৰোৰ বিজ্ঞানীসকলক অভিনন্দন জনাইছে। অনাগত সময়ত ভাৰত বিশ্বৰ অন্যতম শক্তিশালী মহাকাশ শক্তি ৰূপে পৰিগণিত হোৱাৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব অপৰিসীম বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। বিজ্ঞান প্ৰযুক্তি আৰু মহাকাশ বিভাগৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙেও এই সফলতাক অবিস্মৰণীয় বুলি উল্লেখ কৰিছে আৰু ভৱিষ্যতৰ অভিলাষী আঁচনিসমূহ সফলতাৰে ৰূপায়ণ কৰিবলৈ আজিৰ এই সফলতাই সকলোকে উৎসাহিত কৰিব বলি আশা প্ৰকাশ কৰিছে।

০০০০০০০

ভাৰতে আজি ষ্টাৰ্ট আপ ইণ্ডিয়া কাৰ্যসূচীৰ নৱম বাৰ্ষিকী উদযাপন কৰিছে। এই উপলক্ষে দিয়া বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে,চৰকাৰে দেশত ষ্টাৰ্ট আপৰ এটা পৰম্পৰা গঢ়ি তোলাৰ বাবে সকলো প্ৰকাৰে প্ৰচেষ্টা চলাইছে।শ্ৰী মোদীয়ে কয় যে বিগত ৯ বছৰত চৰকাৰে গ্ৰহণ কৰা ৰূপান্তৰকামী কাৰ্যসূচীয়ে অগণন যুৱক যুৱতীৰ সৱলীকৰণ নিশ্চিত কৰাৰ লগতে তেওঁলোকৰ উদ্ভাৱনী কৌশলৰ আধাৰত সফল ষ্টাৰ্ট আপ গঢ়ি তোলা হৈছে।প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে চৰকাৰী নীতিসমূহ,ব্যৱসায়ৰ বাবে সূচল পৰিবেশ সৃষ্টিৰ লগতে সম্পদ আহৰণৰ সামৰ্থ্য বৃদ্ধিৰ দ্বাৰা ষ্টাৰ্ট আপ সমূহক প্ৰতি পদক্ষেপত সহায় আগবঢ়োৱাৰ লক্ষ্যৰে প্ৰণয়ন কৰা হৈছে।তেওঁ কয় যে চৰকাৰে দেশৰ যুৱ প্ৰজন্মৰ মাজত প্ৰত্যাহ্বান গ্ৰহণৰ সামৰ্থ্য বিকাশৰ বাবে উদ্ভাৱন আৰু নতুন ধাৰণা সৃষ্টি কেন্দ্ৰ অৰ্থাৎ innovation and incubation centre সমূহক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা

লৈছে।ষ্টাৰ্ট আপ ইণ্ডিয়া কাৰ্যসূচীৰ সফলতাই ভাৰতৰ বহুমাত্ৰিক, আত্মবিশ্বাসপূৰ্ণ আৰু ভৱিষ্যমুখী বৈশিষ্ট্যকে প্ৰতিফলিত কৰে বুলি তেওঁ কয়।প্ৰধানমন্ত্ৰীয়ে যুৱ প্ৰজন্মক ষ্টাৰ্ট আপ উদ্যমৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈও আহ্বান জনায়।

০০০০০০০০০

ইজৰাইলী মন্ত্ৰীসভাই হামাছৰ সৈতে কালি ডোহাত স্বাক্ষৰিত যুদ্ধবিৰতি চুক্তি আৰু বন্দী মুকলি চুক্তিত অনুমোদন জনাইছে। ইৰজাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ অধ্যক্ষতাত আজি তেল আভিভত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই চুক্তিত অনুমোদন জনোৱা হয়। ইয়াৰ আগতে কাটাৰৰ প্ৰধানমন্ত্ৰী মহম্মদ বিন আব্দুল ৰহমান আল থানিৰ মধ্যস্থতাত কালি ডোহাত অনুষ্ঠিত বৈঠকত পেলেষ্টাইনৰ সশস্ত্ৰ সংগঠন হামাছ আৰু ইজৰাইলৰ মাজত বহু প্ৰতিক্ষীত যুদ্ধবিৰতি আৰু পণবন্দী মুকলি কৰা চুক্তি স্বাক্ষৰিত হয়। কাটাৰৰ প্ৰধানমন্ত্ৰী আল থানিয়ে এই যুদ্ধবিৰতি চুক্তি সম্পৰ্কত কয়, যে ১৯ জানুৱাৰী দেওবাৰে এই যুদ্ধবিৰতি আৰম্ভ হ'ব আৰু ই ৪২ দিনলৈ বাহাল থাকিব। এই সময়ছোৱাত ২০২৩ চনৰ অক্টোবৰ মাহত হামাছে ইজৰাইলৰ আভ্যন্তৰত প্ৰবেশ কৰি যুদ্ধবন্দী কৰা ইজৰাইলী নাগৰিকসকলক মোকলাই দিয়া হ'ব আৰু ইজৰাইলে গাজা ভূখণ্ডত মানৱীয় সাহায্য প্ৰদানত অনুমতি দিব। হামাছে ইতিমধ্যে এই চুক্তি মানি লৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে এই চুক্তিক আদৰণি জনাই কয়, যে পশ্চিম এছিয়াত শান্তি স্থাপনৰ ক্ষেত্ৰত এই চুক্তি এটা আৰম্ভণি হ'ব। হামাছে পণবন্দী কৰি ৰখা মাৰ্কিন নাগৰিককেইজনক প্ৰথম পৰ্যায়ত মুকলি কৰি দিয়া হ'ব বুলি বাইডেনে আশা প্ৰকাশ কৰে। আমেৰিকাৰ ভাবি ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে এই চুক্তিক ঐতিহাসিক বুলি অভিহিত কৰিছে আৰু তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হোৱাৰ বাবেই এই সম্ভৱ হ'ল বুলি দাবী কৰিছে। আকাশবাণীৰ পশ্চিম এছিয়াৰ সংবাদদাতাই জনোৱা মতে কালি স্বাক্ষৰিত এই চুক্তিৰ বিষয়ে অধিক তথ্য প্ৰকাশিত হোৱা নাই যদিও হামাছৰ কবলত এতিয়াও ৩৩গৰাকী ইজৰাইলী আৰু মাৰ্কিন নাগৰিক পণবন্দী অৱস্থাত আছে। যুদ্ধবিৰতি চুক্তিৰ প্ৰথম পৰ্যায়ত ইজৰাইলৰ কাৰাগাৰত বন্দী হৈ থকা পেলেষ্টাইনী নাগৰিকৰ বিনিময়ত পণবন্দী মোকলাই দিয়া হ'ব। দ্বিতীয় পৰ্যায়ত গাজা ভূখণ্ডৰ পৰা ইজৰাইলী সেনাবাহিনীৰ সম্পূৰ্ণ প্ৰত্যাহাৰ আৰু তৃতীয় পৰ্যায়ত ধ্বংসস্তূপত পৰিণত হোৱা গাজাৰ পুনৰনিৰ্মাণৰ বাবে কাটাৰৰ মধ্যস্থতাত স্বাক্ষৰিত চুক্তিত দুয়োপক্ষ সন্মত হৈছে বুলি অনুমান কৰা হৈছে।

০০০০০০০০০

ইজৰাইল আৰু হামাছৰ মাজত স্বাক্ষৰিত যুদ্ধবিৰতি চুক্তিক ভাৰতে আদৰণি জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এটা বিবৃতিত ভাৰতৰ স্থিতিৰ বিষয়ে উল্লেখ কৰি কয়, যে ভাৰত চৰকাৰে সকলো পণবন্দীৰ মুক্তি, যুদ্ধবিৰতি আৰু ইজৰাইল আৰু হামাছৰ মাজৰ সকলো সমস্যা আলোচনাৰ মাধ্যমেৰে কূটনৈতিক সমাধানৰ পোষকতা কৰি আহিছে। কালি ডোহাত স্বাক্ষৰিত এই চুক্তিয়ে গাজা ভূখণ্ডত বসবাস কৰা লোকসকললৈ স্থায়ীভাৱে মানৱীয় সাহায্য যোগান ব্যৱস্থা সুনিশ্চিত কৰিব বুলি বিজ্ঞপ্তিখনত উল্লেখ কৰা হয়।

০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত আজিৰ পৰা অহা মাহৰ ২৪ তাৰিখলৈ বিশাল সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। সংস্কৃতিৰ মহাকুম্ভ নামেৰে অভিহিত এই সাংস্কৃতিক

অনুষ্ঠানত দেশৰ চহকী তথা বৰ্ণিল সংস্কৃতিৰ ধাৰা প্ৰতিফলিত হ'ব। দেশৰ বিখ্যাত শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। বিখ্যাত শিল্পী শংকৰ মহাদেৱনে আজিৰ সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

সংস্কৃতি আৰু আধ্যাত্মিকতাৰ লগতে এই মহাকুম্ভই পৰিবেশ সুৰক্ষাৰো বাৰ্তা বহন কৰিছে। প্ৰয়াগৰাজত অহা ৩১ জানুৱাৰীত সেউজ মহাকুম্ভ অনুষ্ঠিত হ'ব।

0000000

অষ্ট্ৰেলিয়ান অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ শাখাত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু তেওঁৰ মেক্সিকোৰ সহযোগী মিগুৱলে এঞ্জেল ৰেয়েছ ভাৰেলা দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ এখন খেলত বালাজী আৰু ভাৰেলাৰ যুটীয়ে কাজাখস্তানৰ আলেখছাণ্ডাৰ নেডোভিয়েছভ আৰু নেডাৰলেণ্ডছৰ ৰবিন হাছেৰ যুটীক ৬-৪ আৰু ৬-৩ পোনপটীয়া ছেটত পৰাজিত কৰে। এইবাৰৰ অষ্ট্ৰেলিয়ান অ'পেন টেনিছ প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈ হিচাপে বালাজীহে প্ৰতিযোগিতাত বৰ্তি আছে। ইয়াৰ আগতে আজি ভাৰতৰ অনিৰুদ্ধ চন্দ্ৰশেখৰ আৰু পোলেণ্ডৰ কেৰল ড্ৰুজেইউস্কিৰ যুটী প্ৰথম ৰাউণ্ডত বছনিয়া, হাৰ্জেগভনিয়াৰ ডামিৰ ঝুমহুৰ আৰু গ্ৰীচৰ পেট্ৰছ চিটছিপাছৰ যুটীৰ হাতত পৰাজিত হৈ প্ৰথম ৰাউণ্ডৰ পৰাই বিদায় লৈছে। পুৰুষৰ ছিংগলছত শীৰ্ষ বাছনিৰ নভাক জ'ক'ভিচ, কাৰ্লোছ আলকাৰ'জ আৰু মহিলাৰ শাখাত আৰিয়ানা ছাবালেংকা সহজ খেলত জয়ী হৈ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

000000000

সমাপ্ত